৫ পৃষ্ঠাত



৪ পৃষ্ঠাত



১০ পৃষ্ঠাত




# অসম আদিত্য

২০ শাওণ, ১৯৪৮ শক ■ বৃহস্পতিবাৰ, ৬ আগষ্ট, ২০২৬ ■ Asom Aditya, Dibrugarh, Thursday, August 6, 2026


লোহিত সাগৰত বিস্ফোৰিত...
জলযানৰ কৰ্মীক উ...

হৰমুজ প্ৰণালী...
০ খন জাহাজ...
কৰালে ভাৰ...

লী, ৫ আগষ্ট ঃ পাৰস্য উপ...
াৰ মাজতো সফল হৈছে ন...
ৰ সময়ত কৌশলৰে ভাৰতীয়...



প্ৰতিবেদক, খোৱাং, ৫ আগষ্ট ঃ ডিব্ৰুগড় জিলাৰ নিজ খোৱাং গাঁৱৰ নিবাসী তথা ভাৰতীয় সীমান্ত সুৰক্ষা বাহিনীৰ (বি এছ এফ) পৰা ১৯৮৫ চনত স্বেচ্ছামূলক অৱসৰ লোৱা হিবাউৰ ৰহমান (৯৩) যোৱা সোমবাৰে নিশা নিজা বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। দীৰ্ঘদিন ধৰি অসুস্থ অৱস্থাত থকা ৰহমানে মৃত্যুৰ সময়ত পত্নীসহ দুই পুত্ৰ বোৱাৰী, দুই বিবাহিত কন্যা নাতি-নাতিনী উপৰি বহু আত্মীয়ক ইহ সংসাৰত এৰি থৈ যায়। জোৱান গৰাকীৰ মৃত্যুত সমগ্ৰ খোৱাং অঞ্চলটোত এক শোকৰ ছাঁ পৰে।

## গো-বংশ সুৰক্ষাৰ দাবীত ডিব্ৰুগড়ত স্বাক্ষৰ অভিযান

ডিব্ৰুগড়, ৫ আগষ্ট ঃ সমগ্ৰ দেশৰ লগতে ডিব্ৰুগড়তো গো-নিধন ৰোধ আৰু গো-বংশ সুৰক্ষাৰ দাবীত এক ব্যাপক জনজাগৰণ তথা স্বাক্ষৰ অভিযান চলাই থকা হৈছে। গো-হত্যা বন্ধ কৰি দেশৰ গো-সম্পদ সুৰক্ষিত কৰাৰ উদ্দেশ্যে সমগ্ৰ হিন্দু সমাজ, সাধু-সন্ত আৰু সচেতন ভাৰতবাসী একগোট হৈ এই সৰ্বভাৰতীয় পৰ্যায়ৰ কাৰ্যসূচী ৰূপায়ণ কৰিছে। এই অভিযানৰ অংশ হিচাপে অলপতে ডিব্ৰুগড় জিলা আয়ুক্তৰ জৰিয়তে ৰাষ্ট্ৰপতিলৈ সংগৃহীত স্বাক্ষৰসমূহ প্ৰেৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।



## ৮ আগষ্টত মানুহে মানুহৰ বাবে অনুষ্ঠান

ডিব্ৰুগড়, ৫ আগষ্ট ঃ বিশ্ববিশ্ৰুত শিল্পী, ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি সমাজলৈ অনবদ্য অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকলক সন্মান জনোৱাৰ উদ্দেশ্যে শ্ৰুতি শিল্পী সমাজ, ডিব্ৰুগড়ে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰিছে। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ সক্ৰিয় সহযোগত ৮ আগষ্টত 'মানুহে মানুহৰ বাবে' শীৰ্ষক এই বিশেষ কাৰ্যসূচী অনুষ্ঠিত হ'ব। উক্ত দিনটো 'মানৱতাৰ দিৱস' হিচাপে উদ্‌যাপন কৰি সমাজ জীৱনলৈ অসামান্য সেৱা আগবঢ়োৱা কেইবাজনো বৰেণ্য ব্যক্তিক বিভিন্ন সন্মান আৰু বঁটাৰে বিভূষিত কৰা হ'ব। অনুষ্ঠানত সমাজলৈ আগবঢ়োৱা অতুলনীয় সেৱাৰ স্বীকৃতিস্বৰূপ বিশিষ্ট হৃদৰোগ বিশেষজ্ঞ ডাঃ হেমচন্দ্ৰ কলিতাক 'মানৱতাৰ বঁটা' আৰু বিশিষ্ট স্ত্ৰী-ৰোগ বিশেষজ্ঞ ডাঃ ৰীণা দত্ত আহমেদক 'মানৱ সেৱাৰ বঁটা' প্ৰদান কৰা হ'ব। ইফালে, ডিব্ৰুগড়ত কেইবাখনো শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰি সমাজসেৱাৰ এক উজ্জ্বল দৃষ্টান্ত স্থাপন কৰা পদ্মশ্ৰী, বিশিষ্ট সমাজহিতৈষী হনুমানবক্স কানৈক মৰণোত্তৰভাৱে 'জীৱনজোৰা সাধনা বঁটা'ৰে সন্মানিত কৰা হ'ব। ইয়াৰ উপৰিও দানবীৰ তথা বিশিষ্ট সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈক 'সমাজ ৰত্ন' উপাধি প্ৰদান কৰা হ'ব। ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত ৮ আগষ্টৰ আবেলি ৩.৩০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰৰ গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব। এই অনুষ্ঠানৰ অন্যতম আকৰ্ষণ হিচাপে বিশিষ্ট কবি তথা চিকিৎসক ডাঃ প্ৰণয় ফুকনৰ সম্পাদনাত প্ৰকাশিত তথ্যসমৃদ্ধ স্মৃতিগ্ৰন্থ 'মই আহিছোঁ' উন্মোচন কৰা হ'ব। শ্ৰুতি শিল্পী সমাজ, ডিব্ৰুগড়ৰ সভাপতি ড০ নৱজ্যোতি গগৈ আৰু সম্পাদক চন্দন পাঠকে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিবলৈ সকলো শুভাকাংক্ষী, গুণমুগ্ধ আৰু সচেতন নাগৰিকৰ আন্তৰিক উপস্থিতি তথা সহযোগিতা কামনা কৰিছে।

## ডিব্ৰুগড় পৌৰ নিগমৰ হঠকাৰী
# প্ৰতি ঘণ্টাত ২০ টকালৈ...

প্ৰতিবেদক, লাহোৱাল, ৫ আগষ্ট ঃ ডিব্ৰুগড় মহানগৰৰ বিভিন্ন স্থানত ডিব্ৰুগড় পৌৰনিগমে গাড়ীৰ পাৰ্কিঙৰ ব্যৱস্থা কৰি আহিছে। ইয়াৰ বিনিময়ত বাহনৰ গৰাকীৰ পৰা মাচুল সংগ্ৰহ কৰি আহিছে। পূৰ্বতে প্ৰতিখন বাহনৰ পাৰ্কিং মাচুল আছিল দহ টকা যদিও পৰৱৰ্তী সময়ত বিশ টকালৈ বৃদ্ধি কৰে। সেই সময়ত এবাৰ পাৰ্কিং মাচুল দিয়াৰ পিছত বাহনখন প্ৰয়োজন সাপেক্ষে দিনটো ৰাখিব পাৰিছিল আৰু এবাৰ পাৰ্কিং মাচুল দিয়াৰ পিছত দিনটোৰ ভিতৰত যিকোনো স্থানত বাহন পাৰ্কিং কৰিব পাৰিছিল। বৰ্তমান পৌ... সলনি কৰিছে। এতিয়া গাড়ীৰ... ঘণ্টাত বিশ টকাকৈ ধাৰ্য কৰি... ভিতৰত বজাৰ-সমাৰ কৰাটো... ফলত বাহন পাৰ্কিঙৰ নামত... ব্যয় কৰিবলগীয়া হৈছে। আটাই... হৈছে চিকিৎসা সম্পৰ্কীয় বিষয়... যিহেতু চিকিৎসা সম্পৰ্কীয় কাম... ভিতৰত সম্পন্ন নহয়। এই মে... হৈছে। অসম চিকিৎসা মহ...

# বানপীড়িত ৰাইজক...

ডিব্ৰুগড়, ৫ আগষ্ট ঃ বানৰ তাণ্ডৱে জুৰুলা কৰা উজনিৰ জনসাধাৰণৰ কাষত এক আশাৰ ৰেঙণী হৈ থিয় দিছে ডিব্ৰুগড়ৰ ড° বসু ৰোডত অৱস্থিত বিৰাজ(ভাৰত সেৱাশ্ৰম সংঘ)। সংঘৰ উদ্যোগত চলোৱা এক অভিযানৰ জৰিয়তে উজনি অসমৰ কেইবাটাও বান প্ৰভাৱিত অঞ্চলত সাহায্য বিতৰণ আৰু বিনামূলীয়া স্বাস্থ্য শিবিৰ সম্পন্ন কৰা হয়। স্বামী পূৰ্ণব্ৰতানন্দ, প্ৰতুল ৰাজকুমাৰ, প্ৰাঞ্জল গগৈ, সিদ্ধাৰ্থ শংকৰ শৰ্মা আৰু ৰূপন চক্ৰৱৰ্তীৰ পৰিচালনাত এই কাৰ্যসূচী ৰূপায়ণ হয়। বান বিধ্বস্ত অঞ্চলসমূহত স্বাস্থ্য সেৱাৰ লগতে দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰাই আছিল এই অভিযানৰ মূল লক্ষ্য। সেই অনুসৰি বিগত ২৬ জুলাইত জ্যোতি মইনা পাৰিজাত, পল্টন বজাৰৰ সহযোগিতাত বিহুবৰ নেপালীপুটিত এক বৃহৎ...



ডাকঘৰৰ অন্তৰ্গত নিমাইজা... আৰু সাহায্য শিবিৰত ডাঃ... ডাঃ দিগন্ত বড়োৰ নেতৃত্বত...